জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪২১/২০২০

# বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী বংকিম শৰ্মাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১২ জুন ঃ** বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী বংকিম শৰ্মাৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত বংকিম শৰ্মাই ৰাজ্যখনৰ বিদ্যায়তনিক দিশলৈ যি অনবদ্য সেৱা আগবঢ়াই গ'ল সেয়া ৰাজ্যৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। এগৰাকী নিষ্ঠাৱান শিক্ষাগুৰু হিচাপেও তেখেতে ৰাজ্যৰ শিক্ষাৰ উত্তৰণৰ দিশত যথেষ্ট অৰিহণা আগবঢ়াই গৈছে। কামৰূপ জিলাৰ দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হিচাপেও তেখেতে বিদ্যালয়খনৰ উত্তৰণৰ দিশত সেৱা আগবঢ়াই গৈছে। তদুপৰি, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত থাকি তেখেতে সমাজ জীৱনলৈও অৰিহণা আগবঢ়াই গৈছে। এইগৰাকী শিক্ষাগুৰুৰ বিয়োগ আমাৰ শৈক্ষিক জগতৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত বংকিম শৰ্মাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বংভাঃ /পুঃডেঃ**
**১২/০৬/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in